# অসম আদিত্য

কাতি, ১৯৪৭ শক ■ মঙলবাৰ, ১১ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, November 11, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ


তদুপৰি সহ-পাঠেকী হিচাপে শুভজিৎ গগৈ, প্ৰদীপ দত্ত, কৌশিক সন্দিকৈ আৰু বিশ্বজিৎ দ্যোক্তাসকলে জানিবলৈ দিয়ে। আনহাতে, ৪ নবণি প্ৰসাদ বিতৰণৰ লগতে সন্ধিয়া বৃহত্তৰ ায়ন-বায়ন আৰু শিৱসাগৰ বিদ্যুৎ বিকাশ বৰা লীলা ভাওনা প্ৰদৰ্শন হ'ব।

## ন্ধিলে বাঁহ

## অতপালি

খটোত ডাম্পাৰ চলাচল্ল কৰিবলৈ দিয়া নহ'ব ল ৰাইজে হুংকাৰ দিয়ে। প্ৰায় ১০খন গাঁৱৰ গত সংযুক্ত হৈ থকা এই ঐতিহাসিক থটোৰেদি ছাত্ৰ-ছাত্ৰীৰ লগতে দৈনিক বিভিন্ন ক্ষেত্ৰত বহু লোকে অহা-যোৱা কৰে। যোৱা তিনি ৰ পূৰ্বে নিৰ্মাণ কৰা পথটো মেৰামতিৰ ক্ষেত্ৰত নীয় বিধায়কগৰাকীয়ে কোনো গুৰুত্ব আৰোপ বাৰ অভিযোগ উত্থাপিত কৰিছে ভুক্তভোগী ইজে। স্থানীয় ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ক্ষেত্ৰত জিলা আয়ুক্তগৰাকীৰ লগতে খোৱাং ঞ্চলিক বন বিভাগক অবৈধভাৱে বালি তৈয়াহি অনা ডাম্পাৰবিলাকৰ বিৰুদ্ধে এক স্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

# কাৰ্নৈত যোগ থেৰাপী কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১০ নৱেম্বৰ ঃ** দ্ৰুত জীৱনশৈলীয়ে ৰুদ্ধ কৰিছে মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা। দ্ৰুত গতিত বৃদ্ধি পাইছে কমবয়সীয়াসকলৰ মাজত ৰোগ আৰু ৰোগীৰ সংখ্যা। ডিএইচএছ কানৈ মহাবিদ্যালযৰ (স্বায়ত্তশাসিত) যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগ আৰু ৰুক্মিণীদেৱী ছাত্ৰী নিবাসৰ যৌথ উদ্যোগত অনুষ্ঠিত এদিনীয়া বিনামূলীয়া 'যোগেৰে প্ৰাকৃতিক চিকিৎসা' শীৰ্ষক কৰ্মশালাখন উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— ভুল খাদ্যাভ্যাস আৰু নিদ্ৰাভ্যাসৰ পৰিণতিয়ে নৱ প্ৰজন্মৰ মাজত শাৰীৰিক আৰু মানসিক স্বাস্থ্যত প্ৰভাৱ পেলাইছেবুলি মত প্ৰকাশ কৰি কয়— নিয়মীত যোগভ্যাসে এক সুস্থ, সৱল আৰু সু-শৃংখল জীৱন-যাপনত সহায় কৰে। অধ্যক্ষগৰাকীয়ে কয় — মানুহৰ বিভিন্ন ৰোগৰ মূল হৈছে বৰ্তমান যুগৰ বিশৃংখল জীৱন-যাপন। দৈনিক সু-খাদ্য, সুনিদ্ৰা আৰু যোগভ্যাসে মানুহক বিভিন্ন ৰোগৰ পৰা বহু যোজন দূৰত ৰাখে। অধ্যক্ষগৰাকীয়ে মানুহৰ স্বাস্থ্য বিষয়ক সজাগতা সম্বন্ধে ধাৰাবাহিকভাৱে অনুষ্ঠান আয়োজন কৰি থকা বাবে যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগক ধন্যবাদ জ্ঞাপন কৰে। অধ্যাপিকা ড০ চয়নিকা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আয়ুসৰ ডিব্ৰুগড় জিলাৰ নডেল বিষয়া ডাঃ অনিল কুমাৰ সিঙে কয় যে 'ফাষ্টফুড' নামৰ অসুৰটোৱে গ্ৰাস কৰি পেলাইছে নৱ প্ৰজন্মৰ শাৰীৰিক স্বাস্থ্যক। দিনে দিনে বিভিন্ন পেটৰ সমস্যা, উচ্চ-নিম্ন ৰক্তচাপ, পিচিঅ'ডি, পিচিঅ'এছ আদিৰ সমস্যা বাঢ়িছে। ডিব্ৰুগড়ৰ সেৱা ভাৰতীৰ যোগ প্ৰশিক্ষক ক্ৰমে ধীৰেণ শৰ্মা, নীমেশ মেছ, মনোজ কেওট, লীলি ঘোষ আৰু দোলন দাসে কৰ্মশালাটিত উপস্থিত অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন অতিথিসকলক যোগৰ জৰিয়তে প্ৰাকৃতিক চিকিৎসা সেৱা আগবঢ়ায়। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাস, ছাত্ৰী নিবাসৰ অধীক্ষিকা উৰ্মিলা ৰামছিয়াৰী আৰু যোগ আৰু ধ্যান কেন্দ্ৰৰ শিক্ষয়িত্ৰী চয়নিকা গগৈৰ আশাশুধীয়া প্ৰচেষ্টাত অনুষ্ঠিত অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপক আদিত্য দাহালকে ধৰি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। উল্লেখ্য যে,আজিৰ এই অনুষ্ঠানতে নতুন দিল্লীস্থিত কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ অধীনৰ কানৈ মহাবিদ্যালয়ত থকা সংস্কৃত অধ্যয়ন কেন্দ্ৰটো ২০২৫-২৬ বৰ্ষৰ বাবে অধ্যক্ষগৰাকীয়ে উদ্বোধন কৰে।




াণহানি, অ

ফুটিল

ৰাজ

